# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 18-02-2025
**Time :** 1340 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামেদ অল-থানিৰ সৈতে বৈঠকত মিলিত হ'ব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত জম্মু-কাশ্মীৰত নতুন ফৌজদাৰী আইন ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত ভাগ লয়।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসমৰ বঙাইগাঁও জিলাৰ যোগীঘোপাত আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেল উদ্বোধন কৰে।

৪। সামগ্ৰীৰ পুনৰ ব্যৱহাৰ আৰু পুনৰ সংশোধন প্ৰক্ৰিয়াৰ সামৰ্থ বৃদ্ধি কৰাৰ আৱশ্যকতাৰ ওপৰত কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে গুৰুত্ব আৰোপ কৰিছে।

আৰু

৫। পাঞ্জাবৰ ফৰিদকোট জিলা আৰু মধ্যপ্ৰদেশৰ ভিন্দ জিলাত আজি পুৱা পৃথকে সংঘটিত দুটা পথ দুৰ্ঘটনাত কমেও ১০গৰাকী লোকৰ মৃত্যু হয়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামেদ অল-থানিৰ সৈতে বৈঠকত মিলিত হ'ব। কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামেদ অল-থানি দুদিনীয়া ভ্ৰমণসূচী লৈ কালি নতুন দিল্লীত উপস্থিত হয়। মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়িক প্ৰতিনিধিক লৈ গঠিত এটা উচ্চ পৰ্যায়ৰ দলো তেওঁৰ সৈতে আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বিমানবন্দৰত কাটাৰৰ আমিৰগৰাকীক সম্বৰ্ধনা জনায়। ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত আজি শ্বেখ তামিম বিন হামেদ অল-থানিক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ লগতে তেওঁ সন্মানাৰ্থে ভোজ মেলৰো আয়োজন কৰা হৈছে। শ্বেখ তামিমে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে আজি হ'বলগীয়া আলোচনাত ভাৰত আৰু কাটাৰৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ সম্পৰ্কত আলোকপাত কৰা হ'ব বুলি আশা কৰা হৈছে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত জম্মু-কাশ্মীৰত নতুন ফৌজদাৰী আইন ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। বৈঠকত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, উপ-ৰাজ্যপাল মনোজ সিনহাকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। বৈঠকত জম্মু-কাশ্মীৰৰ আৰক্ষী, কাৰাগাৰ,

আদালত আৰু ফৰেনচিক ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন নতুন বিষয় তথা বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়।

০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসমৰ বঙাইগাঁও জিলাৰ যোগীঘোপাত আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেল উদ্বোধন কৰে। এই অনুষ্ঠানত ভূটানৰ উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী নামগিয়াল দৰ্জী, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত যোগীঘোপা জল পৰিবহন টাৰ্মিনেল বিষয়ক এখন চুটি ছবিও প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ প্ৰাধিকৰণৰ উদ্যোগত যোগীঘোপাৰ নৰনাৰায়ণ সেঁতুৰ কাষত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ১৫ একৰ ভূমি সামৰি এই টাৰ্মিনেলটো নিৰ্মাণ কৰা হৈছে। ৮২ কোটি টকা ব্যয় সাপেক্ষ টাৰ্মিনেলটোৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। টাৰ্মিনেলটো মুকলি হোৱাৰ পাছত যোগীঘোপা আৰু বাংলাদেশৰ মাজত জাহাজ চলাচল কৰা হ'ব। ইয়াৰ জৰিয়তে ভাৰত, চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশৰ মাজত জল পথেৰে বাণিজ্য সহজ আৰু সুলভ হৈ পৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাই আজি ৯ বছৰ সম্পূৰ্ণ কৰিলে। ২০১৬ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মুকলি কৰা এই আঁচনিৰ জৰিয়তে প্ৰাকৃতিক দুৰ্যোগৰ ফলত শস্যৰ ক্ষতি হোৱা কৃষকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই আঁচনিয়ে কৃষি ক্ষেত্ৰত উদ্ভাৱনীমূলক সামগ্ৰীৰ ব্যৱহাৰেৰে কৃষকসকলৰ আয় বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই আঁচনিৰ সফলতা আৰু সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় মন্ত্ৰী সভাই ২০২৫-২৬বৰ্ষলৈ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু বতৰ অনুসৰি শস্য বীমা যোজনাত ৬৯হাজাৰ ৫১৫কোটি টকা ধাৰ্য্য কৰে।

০০০০০০০০

নতুন দিল্লীত কাইলৈ বিজেপি বিধায়িনী দলৰ বৈঠক হোৱাৰ সম্ভাৱনা আছে। এই বৈঠকত দলৰ জ্যেষ্ঠ নেতাসকলৰ লগতে বিজেপিৰ নৱনিৰ্বাচিত আটাইকেইটা বিধায়কে অংশগ্ৰহণ কৰিব। দলীয় সূত্ৰৰ তথ্য অনুসৰি বৈঠকৰ সময়ত দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ নাম চূড়ান্ত হোৱাৰ সম্ভাৱনা আছে। পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠান চলিত মাহৰ ২০ তাৰিখে নতুন দিল্লীৰ ৰামলীলা ময়দানত অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ বিষয়েও সূত্ৰটোৱে প্ৰকাশ কৰে। ইপিনে নতুন দিল্লীত কালি দিল্লী বিজেপি নেতাৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ টাৱড়ে আৰু দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাৰ লগতে দলৰ আন আন নেতাসকল উপস্থিত থাকে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি স্বামী ৰামকৃষ্ণ পৰমহংসৰ জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোডীয়ে কয়, যে স্বামী ৰামকৃষ্ণ পৰমহংসৰ মা কালীৰ প্ৰতি থকা গভীৰ ভক্তিৰ বাবে তেওঁৰ জীৱনত ভালেমান প্ৰভাৱ বিস্তাৰ কৰে।

০০০০০০০০

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে সামগ্ৰীৰ পুনৰ ব্যৱহাৰ আৰু পুনৰ সংশোধন প্ৰক্ৰিয়াৰ সামৰ্থ বৃদ্ধি কৰাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি আৱৰ্জনাৰ পুনৰ সংশোধন আৰু জলবায়ু পৰিবৰ্তন ২০২৫ ৰ অষ্টাদশ  সন্মিলনত  অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ বাবে সামগ্ৰীৰ উৎস সমূহৰ অপব্যৱহাৰ হ্ৰাস কৰা আৰু পুনৰ সংশোধনৰ ক্ষমতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয়, যে ভাৰতৰ পুনৰ সংশোধনৰ অৰ্থ ব্যৱস্থাৰ বজাৰ মূল্য ২০50 চনলৈ প্ৰায় ২লাখ কোটি আমেৰিকান ডলাৰ হ'ব আৰু প্ৰায় ১কোটি নিয়োগ সৃষ্টি কৰিব। পুনৰ সংশোধনৰ অৰ্থ ব্যৱস্থাক আদৰ্শ বিত্তীয় আৰ্হি হিচাপে গ্ৰহণ কৰা হৈছে। অৱশিষ্ট সামগ্ৰী সমূহ নষ্ট কৰা আৰু পুনৰ ব্যৱহাৰৰ বাবে সংশোধন কৰাৰ উদ্দেশ্যেৰে এই আৰ্হি গ্ৰহণ কৰা হৈছে।

00000000

উচ্চতম ন্যায়ালয়ে ইউ টিউবাৰ আৰু পদকাষ্টাৰ ৰণবীৰ এলাহাবাদীয়াক গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবলৈ অন্তৰৰ্তীকালীন সুৰক্ষাত অনুমোদন জনাইছে। উল্লেখযোগ্য যে  ইণ্ডিয়াজ গড লেটেণ্ট নামৰ এটা ইউ টিউব শ্ব'ত অনুচিত মন্তব্য কৰাৰ অভিযোগত ইউ টিউবাৰগৰাকীৰ বিৰুদ্ধে বিভিন্ন থানাত এজাহাৰ দাখিল কৰা হৈছিল।  ন্যায়ালয়ে এলাহাবাদীয়া আৰু তেওঁৰ সহযোগীসকলক এই অনুষ্ঠানৰ পৰৱৰ্তী খণ্ডসমূহ প্ৰচাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। ন্যায়ালয়ে লগতে এলাহাবাদীয়াক থানে আৰক্ষী চকীত তেওঁৰ পাৰ্চপৰ্ট জমা দিবলৈ আৰু অনুমতি অবিহনে দেশ এৰি নাযাবলৈ নিৰ্দেশ দিছে।

00000000

**পৰীক্ষা পে চৰ্চা ২০২৫**ৰ নতুন সংস্কৰণ আজি মুকলি কৰা হয়। এই সংস্কৰণত বিভিন্ন পৰীক্ষাত শীৰ্ষস্থান দখল কৰা কেইবাগৰাকীও শিক্ষাৰ্থীয়ে পৰীক্ষাৰ মানসিক চাপ, উদ্বেগ আৰু হেঁচা কেনেদৰে সফলতাৰে অতিক্ৰম কৰিব পাৰি সেই বিষয়ে  বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মনোভাৱ ব্যক্ত কৰাৰ লগতে পৰামৰ্শ আগবঢ়ায়।

00000000

ওড়িশা আৰক্ষীয়ে ভুৱনেশ্বৰৰ এখন ব্যক্তিগত বিশ্ববিদ্যালয়ত নেপালৰ এগৰাকী ছাত্ৰীয়ে আত্মহত্যা কৰাৰ ঘটনাৰ সন্দৰ্ভত এটা গোচৰ ৰুজু কৰিছে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত বিশ্ববিদ্যালয়খনৰ এজন ছাত্ৰক আটক কৰিছে। নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিয়ে এই ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি কয়, যে তেওঁৰ চৰকাৰে এই বিষয়ত কূটনৈতিক ব্যৱস্থাৰ মাধ্যমেৰে আলোচনা কৰি আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে নতুন দিল্লীত থকা নেপাল দূতাবাসৰ পৰা দুগৰাকী বিষয়াই বিশ্ববিদ্যালয়খনত অধ্যয়নত নেপালী ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে সঘন সংস্পৰ্শত আছে। যোৱা দেওবাৰে হোৱা এই ঘটনাক লৈ বিশ্ববিদ্যালয়খনত উত্তেজনাময় পৰিস্থিতি বিৰাজ কৰিছে আৰু ছাত্ৰ সংগঠন সমূহে ছাত্ৰীগৰাকীৰ ন্যায়ৰ দাবী জনাইছে।

00000000

পাঞ্জাবৰ ফৰিদকোট জিলাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৫জন লোক নিহত হোৱাৰ লগতে আন ৩০ জন লোক গুৰুতৰভাবে আহত হয়। চৰকাৰী সূত্ৰত প্ৰকাশ পোৱা অনুসৰি যাত্ৰীৰে

ভৰি থকা বাছখনে কোটকাপুৰা-ফৰিদকোট পথত বিপৰীত ফালৰ পৰা আহি থকা এখন ট্ৰাকক বাট এৰি দিয়াৰ সময়তে এটা নলাত বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়।

মধ্যপ্ৰদেশৰ ভিন্দ জিলাত আজি পুৱা সংঘটিত আন এটা পথ দুৰ্ঘটনাত ৩গৰাকী মহিলাসহ ৫ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২০ জন লোক আহত হয়। গুৰুতৰভাবে আহত ১২জন লোকক চিকিৎসাৰ বাবে গোৱালিয়ৰলৈ প্ৰেৰণ কৰাৰ লগতে আন ৮জন লোকক ভিন্দ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

oooooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে সমাগত চেম্পিয়নছ ট্ৰফী ২০২৫ৰ বাবে ভাৰতীয় পুৰুষ দলটোৰ নতুন জাৰ্চি মুকলি কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত বিচিচিআয়ে খেলুৱৈসকলৰ জাৰ্চিৰ আলোকচিত্ৰ শ্বেয়াৰ কৰে। ৰোহিত শৰ্মা নেতৃত্বাধীন দলটোৱে পৰিধান কৰা নীলা ৰঙৰ জাৰ্চিৰ বাহুত ট্ৰাই কালাৰৰ লগতে চেম্পিয়ন ট্ৰফীৰ ল'গ' থাকিব। ভাৰতীয় দলটোৱে বৃহস্পতিবাৰে ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

ভূবনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত আজি হ'বলগীয়া ২০২৪-২৫ বৰ্ষৰ পুৰুষৰ এফ আই এইচ প্ৰো হকী লীগ প্ৰতিযোগিতাৰ এখন খেলত ভাৰতে জাৰ্মানীৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুখন খেলত লাভ কৰা ৩ পইণ্টেৰে ভাৰত বৰ্তমান অষ্টম স্থানত আৰু ৪ পইণ্টেৰে জাৰ্মানী সপ্তম স্থানত আছে।

ভাৰতীয় মহিলা হকী দলটোৱে আজি হ'বলগীয়া এখন খেলত স্পেইনৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৫ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

oooooooo

সমাপ্ত